অসমীয়া প্ৰতিদিন ৫/১১/৭

# পি, এইচ, ডি ডিগ্ৰী লাভ



বঙাইগাঁও জিলাৰ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বন্দনা কলিতাক তেখেতৰ 'চৰ অঞ্চলৰ মাছমৰীয়াসকলৰ উৎসৱ-পাৰ্বণ আৰু গীত-মাত ঃ এটি অধ্যয়ন (অবিভক্ত গোৱালপাৰা জিলাৰ বিশেষ অধ্যয়নসহ)' শীৰ্ষক গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰতীয় আধুনিক ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ আসনৰ প্ৰাক্তন অধ্যাপক ড° উমেশ ডেকাৰ তত্বাৱধানত গৱেষণা সম্পন্ন কৰে। ভাৰতীয় ইতিহাস অনুসন্ধান পৰিষদ (I C H R, N E Region)ৰ পৰা দুবছৰীয়া Research Fellowship লাভ কৰা ড° বন্দনা কলিতা গোৱালপাৰা চহৰৰ শাস্ত্ৰীনগৰ নিবাসী শ্ৰী মহেশ কলিতা আৰু শ্ৰী জয়মতী কলিতাৰ কনিষ্ঠ কন্যা আৰু অভয়াপুৰী (পাছ্দুৰাৰ) নিবাসী শ্ৰী কিৰণ দেৱ অধিকাৰী আৰু শ্ৰী যুথিকা অধিকাৰীৰ জ্যেষ্ঠ বোৱাৰী তথা শ্ৰী পাৰ্থজ্যোতি দেৱ অধিকাৰীৰ পত্নী।